Asomiya Pratidin, December 8, 2005

# অনিশ্চিত ভৱিষ্যতৰ সন্মুখত খুমটং হাকুম

**ৰত্না ভৰালী তালুকদাৰ**

'আপোনালোকৰ ঝুম খেতিত কয়লা খান্দিলে আপোনালোকে কি কৰিব?' লিডুৰ টিকক পাহাৰৰ বাসিন্দা তিনি নং মালৌগাঁৱৰ বাসিন্দা খুমটং হাকুমৰ হাতত থিতাতে দিব পৰাকৈ এই প্ৰশ্নৰ উত্তৰ নাছিল। কিবা এটা উপায় হ'ব আৰু— এক অনিশ্চিত ভৱিষ্যতৰ উদ্বিগ্নতা মুখত সানি তেওঁ উত্তৰ দিছিল। জাতিগতভাৱে খুমটং হাকুম টাংছা নগা সম্প্ৰদায়ৰ মানুহ। উজনি অসমৰ পাটকাই পাহাৰৰ পাদদেশৰ টিকক পাহাৰৰ সেউজীয়া অৰণ্যানিত চাংঘৰ সাজি যুগ যুগ ধৰি কিছুসংখ্যক টাংছা নগাৰ পৰিয়ালে তিনিখন গাঁও পাতি বাস কৰি আহিছে। এসময়ত টিকক পাহাৰত এক নং, দুই নং আৰু তিনি নং মালৌগাঁও নামেৰে তিনিখন টাংছা নগাৰ গাঁও আছিল। কিন্তু কয়লাৰ মুক্ত খননৰ ফলত সৃষ্টি হোৱা পৰিৱেশৰ ভাৰসাম্যহীনতাৰ বলি হৈ ইয়াৰে দুখন গাঁৱৰ টাংছা পৰিয়ালবোৰে ইতিমধ্যে নিজৰ নিজৰ ঠাই এৰি আন ঠাইত সংস্থাপিত হ'বলগীয়া হৈছে।

খুমটং হাকুমৰ সৈতে একা-বেঁকা পাহাৰীয়া পথ এটাৰে প্ৰায় পাঁচ কিলোমিটাৰ খোজকাঢ়ি যাবলগীয়া হৈছিল টিকক পাহাৰৰ ওপৰত এসময়ৰ এক নং মালৌগাঁও থকা ঠাইলৈ, যি ঠাই এতিয়া পৰিত্যক্ত। এই যাত্ৰাত দেখা গৈছিল মুক্ত খননৰ নামত সমগ্ৰ টিকক পাহাৰত এক্সেভেটৰ, ডাম্পাৰ আদি যন্ত্ৰৰ নিৰ্বিচাৰে আঁচোৰ, কিন্তু যিবোৰ ঠাই সেই আঁচোৰৰ পৰা মুক্ত আছিল, সেই ঠাইতেই প্ৰকৃতিৰ শোভা আছিল অতুলনীয়। পাতলীয়া জংঘলে মাজে মাজে বাট আগচি ধৰিলেও দা এখনেৰে বাট কাটি আগুৱাই যাব পৰা অৱস্থা এটা আছিল। ডেৰ ঘণ্টামান আগুওৱাৰ পিছত দেখা গৈছিল এসময়ত জনবসতিৰ প্ৰাণৰ চঞ্চলতাৰ অৱশেষ লৈ এক নং আৰু দুই নং মালৌগাঁৱৰ চিন— ক'ল ইণ্ডিয়া লিমিটেডে (চি আই এল) টিকক পাহাৰত চলোৱা মুক্ত খননৰ ফলত সৃষ্টি হোৱা আৱৰ্জনাৰ বিশাল স্তূপীকৃত দ'ম এই দুই গাঁৱৰ পাহাৰীয়া সীমান্তত থুপাই থোৱাৰ ফলত তাৰ হেঁচাত দুয়োখন গাঁও মাটিৰ তললৈ সোমাই গৈছিল, আৰু ইয়াৰ পিছত প্ৰবল প্ৰতিবাদৰ সৃষ্টি হোৱাত চি আই এল কৰ্তৃপক্ষই তেওঁলোকক নামদাং নদীৰ পাৰত সংস্থাপিত কৰিবলৈ বাধ্য হৈছিল।

দীৰ্ঘদিনজোৰা কয়লা খননৰ ফলত টিকক পাহাৰৰ দুখনকৈ গাঁও এইদৰে ভূ-ভাগৰ তললৈ সোমাই যোৱাটো কয়লা খননে ভূ-গৰ্ভত কৰা পৰিৱৰ্তনৰ বিষময় ফল। কয়লা খননৰ ইতিহাসৰ এয়াও এক পৰিচিত দৃশ্যই। মুক্ত খননৰ বাবে সঘনে বিস্ফোৰণ ঘটোৱা আৰু গধুৰ গধুৰ বিশাল যন্ত্ৰপাতিৰে কয়লা আহৰণ কৰাৰ ফলত নিৰ্দিষ্ট ঠাইডোখৰৰ ভূমিভাগৰ ওপৰত প্ৰচণ্ড হেঁচাৰ সৃষ্টি আৰু ইয়াৰ ফলত ভূমিৰ অন্তৰ্ভাগৰ গাঁথনিৰো প্ৰবল পৰিৱৰ্তন হোৱাৰ ফলতেই যোৱা ১৯৯৯ চনত এই দুখন গাঁও ভূ-গৰ্ভলৈ সোমাই গৈছিল।

টাংছা নগা জনগোষ্ঠীৰ এই গাঁও দুখনৰ অৱশেষ হিচাপে হাবিৰ মাজে মাজে এতিয়াও দেখা যায় তামোল-পাণ, ডাল ভৰি ভৰি লাগি থকা মধুৰিআমৰ গছ। প্ৰত্নতাত্ত্বিক ভগ্নাৱশেষৰ দৰেই পৰি আছে পকা খটখটীৰ অৱশেষ। আৰু আছে জনপ্ৰাণীহীন সেই ঠাইত অশৰীৰী ৰূপ লৈ গাঁওবাসীয়ে পাতি লোৱা বাঁহৰ কাৰু-কাৰ্যখচিত এটি গিৰ্জাৰ অৱশেষ। হাকুমে কৈছিল যে বৰ্তমানে থকা তিনি নং মালৌগাঁৱৰ বাসিন্দাসকলৰ বস্তি মাটিত কয়লা সম্পদ নাই যদিও তেওঁলোকৰ বিস্তীৰ্ণ ঝুমৰ ভূমিত সিঁচৰতি হৈ আছে কয়লাগৰ্ভ। আনহাতে, টিকক পাহাৰত অত্যাধুনিক যন্ত্ৰপাতি লৈ ব্যক্তিগত কোম্পানীয়ে ইতিমধ্যেই আৰম্ভ কৰিছে কয়লাৰ খননৰ নামত প্ৰকৃতিৰ নিৰ্বিচাৰ ধ্বংসযজ্ঞ। অতি শীঘ্ৰেই তেওঁলোকৰ ঝুমৰ পথাৰতো যে মুক্ত খনন আৰম্ভ হ'বগৈ, সেই বিষয়ে হাকুম নিশ্চিত।

উল্লেখযোগ্য যে এই টাংছা নগাৰ পৰিয়ালকেইটা শিক্ষা-দীক্ষাৰে যেনেকৈ আগবঢ়া নহয়, তেনেকৈ তেওঁলোকৰ ভৰণ-পোষণৰ আন উপায়ো নাই। কেৱল পৰম্পৰাগতভাৱে ঝুম খেতি কৰিয়েই তেওঁলোক পোহ-পাল গৈ আছে। এই অৱস্থাত ঝুমৰ পথাৰত কোম্পানীয়ে কয়লা খান্দিলে তেওঁলোকৰ অৱস্থা কি হ'ব? এই প্ৰশ্নৰ উত্তৰ দিবলৈ গৈয়েই উদ্বিগ্ন হৈ পৰিছিল সহজ-সৰল জীৱনক সাবটি সকলো জটিলতাৰ পৰা আঁতৰত নিৰিবিলিৰে জীৱন-যাপন কৰিব খোজা খুমটং হাকুম।

ঔদ্যোগীকৰণ এতিয়া মানৱ জাতিৰ বিকাশৰ বাবে অপৰিহাৰ্য সম্পদ। এয়া সঁচা যে উদ্যোগ এতিয়া অৰ্থনৈতিক সুচলতাৰ প্ৰধান ধাৰক আৰু বাহক। কিন্তু ইয়াৰ লগে লগে এই কথাও সমানেই বাস্তৱিক যে স্বাধীনতাৰ পৰৱৰ্তী সময়ত ভাৰতবৰ্ষত উন্নয়নৰ নামত যি নীতি গ্ৰহণ কৰা হৈছে, সেই নীতি মূলতঃ জনজাতিবিৰোধী। বিভিন্ন ঔদ্যোগিক প্ৰকল্প স্থাপন তথা প্ৰাকৃতিক সম্পদ আহৰণৰ সময়ত দেখা গৈছে যে, লক্ষ লক্ষ জনজাতি এই প্ৰকল্পবোৰ স্থাপনৰ সময়ত তেওঁলোকৰ আদিভূমিৰ পৰা বিতাড়িত হৈছে, অথবা আন ক'ৰবাত মাথোঁ বস্তি মাটি এটুকুৰা দি সংস্থাপিত কৰা হৈছে অথবা উদ্যোগ ক্ষেত্ৰত কেতিয়াবা এনে পৰিয়ালৰ লোকক চতুৰ্থ শ্ৰেণীৰ পদত যোগ্যতা নথকাৰ অজুহাতত কাম কৰাৰ সুবিধা দি তেওঁলোকৰ পৰম্পৰাগত সাংস্কৃতিক জীৱনৰ পৰা তেওঁলোকক মূলতঃ উৎখাত কৰা হৈছে।

খুমটং হাকুমৰ কথাই উদাহৰণ হিচাপে ল'ব পাৰি। অদূৰ ভৱিষ্যতে হাকুমৰ ঝুমৰ মাটি কয়লা খননৰ বাবে অধিগ্ৰহণ কৰিব লাগিলে তেওঁ এক জীৱন-মৰণ সংকটৰ সন্মুখীন হ'বগৈ লাগিব। সন্দেহ নাই যে ইয়াৰ বিনিময়ত চি আই এল কৰ্তৃপক্ষই নিশ্চয় ক্ষতিপূৰণ হিচাপে কিছু ধন আগবঢ়াব। কিন্তু এই ক্ষতিপূৰণো পৰ্যাপ্ত নহয়, ক্ষতিপূৰণৰ বাবদ পোৱা ধন নিচেই সামান্য। আনহাতে, চি আই এলে যোৱা পোন্ধৰ বছৰজুৰি নতুন নিযুক্তি বন্ধ কৰি ৰখাৰ ফলত এই লোকসকলে কাম পোৱাৰো কোনো সুযোগ নাই।

তদুপৰি তেওঁলোকৰ শিক্ষাগত অৰ্হতাৰে (খুমটং হাকুমৰ শিক্ষা দশম শ্ৰেণী পৰ্যন্ত) মাত্ৰ সহায়ক, শ্ৰমিক আদি পদত কাম কৰিবৰ বাবেহে তেওঁলোক উপযুক্ত। উল্লেখযোগ্য যে টিকক পাহাৰত থকা বৰ্তমানৰ পইত্ৰিছটা পৰিয়ালৰ ভিতৰত মাত্ৰ তিনিজন লোকে মুক্ত খননৰ কামত 'কেজুৱেল কৰ্মী' হিচাপে কাম কৰি আছে, যিসকলৰ দৰমহা এহাজাৰ বা পোন্ধৰশ টকা মাত্ৰ। টিকক পাহাৰৰ পৰা ইতিমধ্যে উচ্ছেদিত



252



পৰিয়ালকেইটাই পুনৰ সংস্থাপিত হোৱাৰ সময়ত লাভ কৰিছিল পৰিয়ালেপ্ৰতি গড়ে দহ হাজাৰমান টকা।

বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত এই টকা নতুনকৈ সংস্থাপন লাভ কৰাৰ বাবে পৰ্যাপ্ত নহয়, যদিও সংস্থাপনৰ ক্ষেত্ৰত, বিশেষকৈ পাহাৰীয়া জনগোষ্ঠীসমূহে আন কেতবোৰ সমস্যাৰো সন্মুখীন হ'বলগীয়া হয়। সাধাৰণতে দেখা যায় যে তেওঁলোকৰ ব্যক্তিগত ভূমি বুলিবলৈ বস্তিমাটিৰ বাহিৰে আন মাটি তেনেকৈ নাথাকেই। কাৰণ ঝুমৰ বিস্তীৰ্ণ ভূমি তেওঁলোকৰ ব্যক্তিগত সম্পত্তি নহয়, সেয়া হৈছেগৈ সম্প্ৰদায়টোৰ উমৈহতীয়া ভূমি। গতিকে প্ৰকৃত ক্ষতিপূৰণ লাভ কৰাৰ পৰা তেওঁলোক সদায়েই বঞ্চিত হৈ থাকে। এই নীতিয়ে কয়লা খননৰ ফলত ক্ষতিগ্ৰস্ত লোকসকলৰ সংস্থাপনৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতাৰ কথা বিশেষভাৱে দোহাৰিলেও কাৰ্যক্ষেত্ৰত তাৰ প্ৰতিফলন হোৱা নাই। উল্লেখযোগ্য যে চাহ বাগিচাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ অসমত ১৮৮১ চনতেই কয়লা খননৰ কাম আৰম্ভ কৰা হৈছিল। কয়লা উদ্যোগৰ ৰাষ্ট্ৰীয়কৰণৰো তিনি দশকতকৈ অধিক সময় পাৰ হৈ গৈছে। এই সুদীৰ্ঘ সময়ৰ ইতিহাসত কয়লাক্ষেত্ৰসমূহৰ আশে-পাশে থকা অঞ্চলবোৰৰ লোকসকল, যিসকল এই উদ্যোগৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱাৰ বা তেওঁলোকৰ গাঁও এৰি আন ঠাইলৈ যাবলগীয়া হোৱাৰ আশংকা থাকে, তেওঁলোকৰ বাবে জীৱন-জীৱিকাৰ বিশেষ বিকল্প আঁচনি গ্ৰহণ কৰাৰ পূৰ্ণ সুযোগ আছিল আৰু এনে আঁচনি গ্ৰহণ কৰাৰ বাবে চি আই এল কৰ্তৃপক্ষ দায়বদ্ধ যদিও বাস্তৱক্ষেত্ৰত এই কাম গ্ৰহণ কৰা হোৱা নাই।

চি আই এল কৰ্তৃপক্ষই এনে ভূমিকাৰ বাবেই খুমটং হাকুমৰ দৰে সৰল মানুহৰ মনত জন্ম হয় আশংকাৰ, আৰু তেওঁলোকে নিজকে সান্ত্বনা দিয়ে — কিবা এটা উপায় হ'ব আৰু!

*নতুন দিল্লীৰ চেণ্টাৰ ফৰ ছায়েন্স এণ্ড এনভাইৰনমেণ্টে প্ৰদান কৰা মিডিয়া ফেলশ্বিপৰ আধাৰত মাকুম কয়লাক্ষেত্ৰৰ অনুসন্ধানমূলক অধ্যয়নৰ ভিত্তি এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে।* ◂◂

*লেখিকাৰ ঠিকনা*
*এম আহমেদ ৰোড, ৰিহাবাৰী, গুৱাহাটী*
*ফোন : 94351-05414*